NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 06-08-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ব্ৰুনেই আৰু ছিংগাপুৰৰ সফল ভ্ৰমণ সামৰি নতুন দিল্লীত উপস্থিত হৈছে।

২। প্ৰধানমন্ত্ৰীয়ে আজি ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে গুজৰাটৰ চুৰাটৰ জল সঞ্চয় জন ভাগিদাৰী কাৰ্যসূচী মুকলি কৰিব।

৩। সামাজিক ন্যায় আৰু নিয়োগ বিভাগৰ ৰাজ্যমন্ত্ৰী ৰামদাস আঠাৱালে আজি দুদিনীয়া ভ্ৰমণসূচীৰে নাগালেণ্ডলৈ আহিব।

*আৰু*

৪। ভাৰতৰ কপিল পৰমাৰে পেৰিছ পেৰালিম্পিকৰ পুৰুষৰ পেৰা জুডোৰ জে ওৱান শিতানৰ ৬০ কিলোগ্ৰাম ওজন শাখাত ব্ৰঞ্জৰ পদক অৰ্জন কৰিছে। ৰাষ্ট্ৰপতি, উপ-ৰাষ্ট্ৰপতি  আৰু প্ৰধানমন্ত্ৰীয়ে খেলুৱৈগৰাকীক অভিনন্দন জ্ঞাপন কৰিছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ব্ৰুনেই আৰু ছিংগাপুৰৰ সফল ভ্ৰমণ সামৰি ইতিমধ্যে নতুন দিল্লীত উপস্থিত হৈছে। ভাৰত আৰু ছিংগাপুৰে কালি স্বাস্থ্য আৰু ঔষধ, শিক্ষা আৰু দক্ষতা বিকাশ, ডিজিটেল প্ৰযুক্তি আৰু ভাৰত-ছিংগাপুৰ অৰ্ধপৰিবাহী প্ৰণালী বিষয়ক সহযোগিতা সন্দৰ্ভত চাৰিখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। দুয়োখন দেশে লগতে উভয় দেশৰ মাজৰ সম্পৰ্কক সৰ্বাত্মক কৌশলগত সহযোগিতালৈ উন্নীত কৰাৰ হকে সন্মতি প্ৰকাশ কৰে। ইয়াৰ ফলত ভাৰতৰ এক্ট ইষ্ট নীতিয়ে প্ৰসাৰ লাভ কৰিব বুলি আশা কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ছিংগাপুৰৰ প্ৰধানমন্ত্ৰী লৰেন্স ৱঙৰ মাজত আজি অনুষ্ঠিত প্ৰতিনিধি পৰ্যায়ৰ বৈঠকৰ পাছত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। ছিংগাপুৰত অনুষ্ঠিত এই আলোচনাৰ সময়ত দুয়োগৰাকী নেতাই দেশ দুখনৰ মাজৰ দ্বি-পাক্ষিক সম্পৰ্কৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে আৰু বিনিয়োগ বৃদ্ধিৰ হকে আহ্বান জনায়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে, ভাৰতীয় অৰ্থব্যৱস্থাত প্ৰায় ১৬ হাজাৰ কোটি মাৰ্কিন ডলাৰ বিনিয়োগেৰে ছিংগাপুৰ ভাৰতৰ বাবে এখন অগ্ৰণী অৰ্থনৈতিক সহযোগী দেশ। ভাৰতীয় অৰ্থব্যৱস্থাৰ দ্ৰুত আৰু স্থায়ী বিকাশে ছিংগাপুৰৰ প্ৰতিষ্ঠানসমূহৰ বাবে বিনিয়োগৰ অপাৰ সুযোগৰ সৃষ্টি কৰিছে বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে।

প্ৰধানমন্ত্ৰীদ্বয়ে লগতে প্ৰতিৰক্ষা আৰু নিৰাপত্তা, সামুদ্ৰিক সুৰক্ষা সজাগতা, শিক্ষা, কৃত্ৰিম বুদ্ধিমত্তা, বিত্ত প্ৰযুক্তি, বিজ্ঞান আৰু প্ৰযুক্তি আৰু জ্ঞানৰ সহযোগিতা আদি ক্ষেত্ৰত বৰ্তমানৰ সহযোগিতাৰ পৰ্যালোচনা কৰে। নেতা দুগৰাকীয়ে অৰ্থনৈতিক সহযোগিতা আৰু জনসম্পৰ্ক বৃদ্ধিৰ বাবে দেশ দুখনৰ মাজত যোগাযোগ সুদৃঢ় কৰাৰ বাবে আহ্বান জনায়। তেওঁলোকে লগতে ছেউজ কৰিডʼৰ প্ৰকল্পৰ কামকাজ বৃদ্ধি কৰিবলৈ আহ্বান জনায়। প্ৰধানমন্ত্ৰীদ্বয়ে যোৱা মাহত ছিংগাপুৰত  অনুষ্ঠিত ভাৰত-ছিংগাপুৰৰ মাজৰ মন্ত্ৰী পৰ্যায়ৰ দ্বিতীয়খন

ঘূৰণীয়া মেজমেলৰ ফলাফল সম্পৰ্কেও আলোচনা কৰে। ২০২৫ বৰ্ষত দেশ দুখনৰ মাজত দ্বিপাক্ষিক সম্পৰ্ক স্থাপনৰ ৬০ সংখ্যক বাৰ্ষিকী উদযাপনৰ বিষয়টোৱেও আলোচনাত স্থান লাভ কৰে। নেতা দুগৰাকীয়ে ভাৰত আছিয়ান সম্পৰ্ক আৰু ভাৰত প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ বাবে ভাৰতৰ দৃষ্টিভংগীকে ধৰি পাৰস্পৰিক স্বাৰ্থজড়িত গুৰুত্বপূৰ্ণ আঞ্চলিক আৰু গোলকীয় বিষয় লৈ মত বিনিময় কৰে।

প্ৰধানমন্ত্ৰী মোদীয়ে তেওঁৰ মন্তব্যত কয় যে ছিংগাপুৰ অকল এখন সহযোগী ৰাষ্ট্ৰই নহয় বৰং প্ৰতিখন উন্নয়নশীল দেশৰ বাবে অনুপ্ৰেৰণাৰ উৎস স্বৰূপ। তেওঁ কয় যে, দুয়োখন দেশৰ মাজৰ মন্ত্ৰী পৰ্যায়ৰ ঘূৰণীয়া মেজমেল যুগান্তকাৰী ব্যৱস্থাৰূপে পৰিগণিত হৈছে। ছিংগাপুৰত বাস কৰা ভাৰতীয় মূলৰ চাৰে ৩ লাখ লোকে দুয়ো দেশৰ মাজৰ সম্পৰ্কৰ শক্তিশালী ভেটিৰূপে কাম কৰি আহিছে বুলি তেওঁ উল্লেখ কৰে। পাছত প্ৰধানমন্ত্ৰী মোদী আৰু শ্ৰীৱঙে ছিংগাপুৰৰ অৰ্ধপৰিবাহী আৰু বৈদ্যুতিন খণ্ডৰ আগশাৰীৰ কোম্পানী এ ই এম হ'ল্ডিংছ লিমিটেড পৰিদৰ্শন কৰে। তেওঁলোকক পৰিদৰ্শন কালত গোলকীয় অৰ্ধপৰিবাহী মূল্য শৃংখলাত এ ই এমৰ ভূমিকা, কামকাজ আৰু ভাৰতৰ বাবে কোম্পানীটোৰ পৰিকল্পনা সম্পৰ্কে অৱগত কৰোৱা হয়। প্ৰধানমন্ত্ৰী মোদীয়ে লগতে চলিত মাহত গ্ৰেটাৰ নয়দাত আয়োজিত 'ছেমিকন ইণ্ডিয়া' শীৰ্ষক প্ৰদৰ্শনীত অংশগ্ৰহণ কৰিবলৈ ছিংগাপুৰৰ অৰ্ধপৰিবাহী কোম্পানীসমূহক আমন্ত্ৰণ জনায়। পৰিদৰ্শন কালত প্ৰধানমন্ত্ৰী দুগৰাকীয়ে ছিংগাপুৰত প্ৰশিক্ষাৰ্থী হিচাপে কৰ্মৰত ওড়িশাৰ দক্ষতা কেন্দ্ৰৰ প্ৰশিক্ষাৰ্থীসকলৰ লগতে পূৰ্বতে চি আই আই-এণ্টাৰপ্ৰাইজ ছিংগাপুৰ ইণ্ডিয়া ৰেডি টেলেণ্ট কাৰ্যসূচীৰ অধীনত ভাৰতলৈ অহা ছিংগাপুৰৰ প্ৰশিক্ষাৰ্থীসকলৰ সৈতে মত বিনিময় কৰে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে গুজৰাটৰ চুৰাটৰ জল সঞ্চয় জন ভাগিদাৰী কাৰ্যসূচী মুকলি কৰিব। প্ৰধানমন্ত্ৰী মোদীৰ সহযোগিতামূলক জল ব্যৱস্থাপনাৰ দৃষ্টিভংগীৰে ৰূপায়ণ হৈ থকা **জলশক্তি অভিযান ঃ বৰষুণৰ পানী সংৰক্ষণ**ৰ অনুসৰি এই কাৰ্যসূচী লোৱা হৈছে। এই কাৰ্যসূচীৰ জৰিয়তে গুজৰাটৰ বৰষুণৰ পানী সংৰক্ষণৰ পৰিকাঠামো ৰূপায়ণৰ বাবে জনসাধাৰণ, স্থানীয় নিকায়, উদ্যোগ আৰু অন্য পক্ষসমূহক ঐক্যবদ্ধ কৰাৰ লক্ষ্য স্থিৰ কৰা হৈছে। এই কাৰ্যসূচীৰ অধীনত সমূহীয়া সহযোগিতাৰে গুজৰাটৰ বিভিন্ন অংশত বৰষুণৰ পানী সংৰক্ষণৰ উদ্দেশ্যে প্ৰায় ২৪ হাজাৰ ৮০০টা পৰিকাঠামো নিৰ্মাণ কৰা হৈছে।

০০০০০০০

সামাজিক ন্যায় আৰু নিয়োগ বিভাগৰ ৰাজ্যমন্ত্ৰী ৰামদাস আঠাৱালে আজি দুদিনীয়া ভ্ৰমণসূচীৰে নাগালেণ্ডলৈ যাব। মন্ত্ৰীগৰাকীয়ে আজি বিয়লি ৰাজ্যখনত উপস্থিত হোৱাৰ পাছত চোবিমা চুমৌকেদিমাত থকা ব্যক্তিগত বাসগৃহত নাগালেণ্ডৰ মুখ্যমন্ত্ৰী নেইফিঅ' ৰিঅ'ক সৌজন্যমূলক সাক্ষাৎ কৰিব। ইয়াৰ পাছত শ্ৰীআঠাৱালেই বিয়লি চাৰি মাইলৰ এগ্ৰি এক্সপোত মণ্ডি প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। দিল্লীলৈ ৰাওনা হোৱাৰ পূৰ্বে তেওঁ কাইলৈ নাইথু ৰিজোৰ্টত ৰাজ্যখনৰ সমাজ কল্যাণ বিভাগৰ বিষয়াসকলৰ সৈতে বৈঠকত ভাগ ল'ব।

০০০০০০০

কেন্দ্ৰীয় চৰকাৰে পিঁয়াজৰ বৰ্ধিত মূল্যলৈ চাই কালিৰে পৰা ৰাষ্ট্ৰীয় ৰাজধানী ক্ষেত্ৰ দিল্লী আৰু মুম্বাইত প্ৰতি কিলোগ্ৰামত ৩৫ টকা মূল্যত পিঁয়াজৰ বিক্ৰী আৰম্ভ কৰিছে। ভ্ৰাম্যমাণ বাহন আৰু ভাৰতীয় ৰাষ্ট্ৰীয় সমবায় উপভোক্তা সংঘ লিমিটেডৰ খুচুৰা বিক্ৰী কেন্দ্ৰ ই-কমাৰ্চ মঞ্চ আৰু কেন্দ্ৰীয় ভাণ্ডাৰ তথা ছফলৰ দোকানৰ জৰিয়তে পিঁয়াজৰ বিক্ৰীৰ ব্যৱস্থা কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰে অনাগত সময়ত ৰাষ্ট্ৰীয় ৰাজধানী ক্ষেত্ৰ দিল্লী আৰু মুম্বাইৰ উপৰি গুৱাহাটী, কলকাতা, ভূবনেশ্বৰ, হায়দৰাবাদ, চেন্নাই, বাংগালুৰু, আহমেদাবাদ আৰু ৰায়পুৰত ৰেহাই মূল্যত পিঁয়াজ বিক্ৰীৰ ব্যৱস্থা কৰিব।

০০০০০০০

পশ্চিম বংগৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগে ডাক্তৰ বিৰুপাক্ষা বিশ্বাস আৰু ডাক্তৰ অভিক দেৰ বিৰুদ্ধে ৰাজ্যজুৰি অব্যাহত থকা প্ৰতিবাদলৈ চাই কালি চিকিৎসক দুগৰাকীক নিলম্বন কৰে। কলকাতাৰ আৰ জি কৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালত এগৰাকী চিকিৎসকৰ ধৰ্ষণ আৰু হত্যাৰ ঘটনাৰ পাছত চিকিৎসক দুগৰাকীৰ নাম পোহৰলৈ আহিছিল। তেওঁলোকে দীৰ্ঘদিন ধৰি ৰাজ্যখনৰ বিভিন্ন চিকিৎসা মহাবিদ্যালয়ৰ কনিষ্ঠ চিকিৎসক আৰু শিক্ষক-শিক্ষয়িত্ৰীক ভাবুকি প্ৰদান কৰি অহা বুলি অভিযোগ উঠিছিল।

০০০০০০০

বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি তথা কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জে পি নাড্ডাই আজি দুদিনীয়া ভ্ৰমণসূচীৰে বিহাৰলৈ যাব। ভ্ৰমণৰ সময়ছোৱাত শ্ৰীনাড্ডাই অহা বছৰ হ'বলগীয়া বিহাৰ বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতি সন্দৰ্ভত পাটনাত দলৰ নেতা-কৰ্মীসকলৰ সৈতে বৈঠকত মিলিত হ'ব। বৈঠকৰ পূৰ্বে তেওঁ বিহাৰৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰক সাক্ষাৎ কৰিব। পাছত তেওঁ ইন্দিৰা গান্ধী চিকিৎসা বিজ্ঞান প্ৰতিষ্ঠানলৈ যাব আৰু প্ৰতিষ্ঠানখনৰ নতুন সা-সুবিধা মুকলি কৰিব। শ্ৰীনাড্ডাৰ এই দুদিনীয়া ভ্ৰমণৰ সময়ছোৱাত স্বাস্থ্য সেৱাৰ আন্তঃগাঁথনি আৰু দলীয় ৰণকৌশল সন্দৰ্ভত বিভিন্ন কাৰ্যসূচীত ভাগ ল'ব। তেওঁ ভগলপুৰত জৱাহৰলাল নেহৰু চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ ছাত্ৰাবাসো মুকলি কৰিব। কাইলৈ তেওঁ দাৰভাঙ্গালৈ যাব আৰু তাত প্ৰস্তাৱিত অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান নিৰ্মাণ হ'বলগীয়া স্থান পৰিদৰ্শন কৰিব। উল্লেখযোগ্য যে এই প্ৰতিষ্ঠানে উত্তৰ বিহাৰৰ স্বাস্থ্যখণ্ডৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। দাৰভাঙ্গাত এটা কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ পাছত তেওঁ কাইলৈ বিয়লি নতুন দিল্লীলৈ ঘূৰি যাব।

০০০০০০০

ভাৰতীয় জনতা পাৰ্টীৰ জম্মু কাশ্মীৰৰ আসন্ন বিধানসভা নিৰ্বাচনৰ বাবে দলৰ ৪০গৰাকী তাৰকা প্ৰচাৰকৰ নাম প্ৰকাশ কৰিছে। এইসকলৰ ভিতৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, গৃহমন্ত্ৰী অমিত শ্বাহ, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডা, উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথ অন্যতম। কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰী, মনোহৰ লাল খট্টৰ, জি কিষাণ ৰেড্ডী, জিতেন্দ্ৰ সিং আৰু শিৱৰাজ সিং চৌহানেও দলৰ হকে প্ৰচাৰ চলাব। উল্লেখযোগ্য যে অহা ২৫ ছেপ্তেম্বৰত কেন্দ্ৰীয় শাসিত অঞ্চলটোত দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। অহা ৮ অক্টোবৰত ভোটগণনা কৰা হ'ব।

০০০০০০০

ভাৰতৰ কপিল পৰমাৰে কালি ব্ৰাজিলৰ এলিয়েলটন ডি অলিভেৰিয়াক ১০-০ ফলাফলত পৰাস্ত কৰি পেৰিছ্ পেৰালিম্পিকৰ পুৰুষৰ পেৰা জুডোৰ জে ওৱান শিতানৰ ৬০ কিলোগ্ৰাম ওজন শাখাত ব্ৰঞ্জৰ পদক অৰ্জন কৰে। পেৰালিম্পিকৰ ইতিহাসত জুডোত  ভাৰতৰ এয়া প্ৰথমটো পদক। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড় আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে খেলুৱৈগৰাকীক অভিনন্দন জ্ঞাপন কৰিছে। ৰাষ্ট্ৰপতি মুৰ্মুৱে সামাজিক মাধ্যমযোগে কৈছে যে কপিলে অলেখ বাধা নেওচি পেৰালিম্পিকৰ ইতিহাসত জুডোত পদক অৰ্জন কৰা প্ৰথমগৰাকী ভাৰতীয় হিচাপে ইতিহাস ৰচনা কৰিছে। উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে তেওঁৰ বাৰ্তাত কৈছে যে খেলুৱৈগৰাকীয়ে তেওঁৰ নিষ্ঠা, একাগ্ৰতা আৰু দক্ষতাৰ বলত এই সাফল্য অৰ্জন কৰিবলৈ সমৰ্থ হৈছে। আনহাতে, প্ৰধানমন্ত্ৰী মোদীয়ে সামাজিক মাধ্যমযোগে কৈছে যে এয়া সঁচাকৈ স্মৰণীয় প্ৰদৰ্শন আৰু বিশেষ পদক।

প্ৰতিযোগিতাৰ আজি নৱম দিনা ভাৰতীয় খেলুৱৈসকল এথলেটিকছ্ আৰু পাৱাৰ লিফ্‌টিং শিতানত শ্ৰেষ্ঠত্ব অৰ্জনৰ লক্ষ্যৰে অৱতীৰ্ণ হ'ব। কস্তুৰি ৰাজামণিয়ে মহিলাৰ পাৱাৰ লিফ্‌টিঙত ৬৭ কিলোগ্ৰাম ওজন শাখাৰ ফাইনেলত দেশক প্ৰতিনিধিত্ব কৰাৰ বিপৰীতে প্ৰবীণ কুমাৰে পুৰুষৰ হাই জাম্পত টি-৪৪, টি-৬২, টি-৬৪ শিতানৰ ফাইনেলত ভাগ ল'ব। একেদৰে দিপেশ কুমাৰে পুৰুষৰ জেভলিন থ্ৰ'ৰ এফ-৫৪ শিতানৰ ফাইনেলত পদক জয়ৰ চেষ্টা চলাব। ভাৰত বৰ্তমানলৈকে ৫টা সোণ, ৯টা ৰূপ আৰু ১১টা ব্ৰঞ্জসহ মুঠ ২৫টা পদকেৰে প্ৰতিযোগিতাৰ পদক তালিকাত ষোড়শ স্থানত আছে।

০০০০০০০

সমাপ্ত